# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-10-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - - - -**

১। বিজয়া দশমীৰ পাছত আজি ৰাজ্যৰ বিভিন্ন ঠাইত দেৱী দুৰ্গাৰ মৃণ্ময় প্ৰতিমা বিসৰ্জন। ঠায়ে ঠায়ে ৰাৱন দহন কাৰ্যসূচীৰ আয়োজন।

২। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৩। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ ঐতিহাসিক উদযাপনৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ ভাষা গৌৰৱ সপ্তাহ পালন কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। *আৰু*

৪। মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি।

০০০০০

ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ কালি দশমী বিহিত পূজা আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা আৰু ঘট বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হয়। অৱশ্যে বিভিন্ন স্থানত আজিও দেৱীৰ মৃণ্ময় প্ৰতিমা বিসৰ্জন দিয়া হৈছে। গুৱাহাটী মহানগৰীত কালিৰে পৰা তিনিদিনীয়াকৈ প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। কালি ৫৫ খন প্ৰতিমা বিসৰ্জন দিয়াৰ পাছত আজি দুই শতাধিক প্ৰতিমা বিসৰ্জন দিয়া হয়। জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰি দিয়া ২৭টা ঘাটত বিসৰ্জন প্ৰক্ৰিয়া সম্প্ৰতিও অব্যাহত আছে। প্ৰতিমাৰ সংখ্যালৈ চাই কোনো কোনো ঘাটত পুৱতি নিশালৈকে বিসৰ্জন পৰ্ব চলাৰ সম্ভাৱনা আছে। বিসৰ্জন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ অগণন লোকে মহানগৰীৰ পথৰ দুয়োকাষে ভীৰ কৰা পৰিলক্ষিত হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট-পথসমূহত যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান-বাহন আৰক্ষীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

শিৱসাগৰ জিলাতো কালি পৰম্পৰাগত ৰীতি-নীতিৰে বিজয়া দশমীৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত আজি নগৰখনৰ প্ৰায় ২০ খন প্ৰতিমা বিসৰ্জন দিয়া হ'ব। যোৰহাট জিলাত জিলা আয়ুক্তৰ পৰ্যবেক্ষণত দেৱী দুৰ্গাৰ মৃণ্ময় প্ৰতিমা সুকলমে বিসৰ্জন কৰা হয়।

বজালী জিলাৰ কেইবাখনো পূজা সমিতিয়ে আজি দেৱীৰ প্ৰতিমা বিসৰ্জনৰ পৰ্ব সমাপন কৰিব বুলি উদ্যোক্তা সমিতিসমূহে জানিবলৈ দিছে। বাক্সা জিলাতো কেইবাখনো পূজা সমিতিয়ে আজি দেৱীৰ প্ৰতিমাসমূহ নিজ নিজ স্থানত বিসৰ্জন দিয়া হৈছে বুলি উদযাপন সমিতিয়ে জানিবলৈ দিয়ে।

দুৰ্গা পূজাক কেন্দ্ৰ কৰি আজিও গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। কালিৰ দিনটোত বৈদিক ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন কৰাৰ পাছত আজিও জিলাখনৰ ৩৬ খন

পূজা সমিতিয়ে চহৰখনৰ কাচাৰীঘাটত প্ৰতিমা বিসৰ্জন পৰ্ব সম্পন্ন কৰিছে। জিলাখনৰ ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা ৰংজুলি দুৰ্গা পূজা সমিতিয়ে কালি বিয়লি দেৱী বিসৰ্জন কাৰ্যসূচী সমাপন কৰি ৬৫ ফুট উচ্চতাৰ ৰাৱন দাহ কাৰ্যসূচীও ৰূপায়ণ কৰে।

গোৱালপাৰা জিলাত প্ৰতিমা বিসৰ্জন কাৰ্যসূচী সন্দৰ্ভত আমাৰ সংবাদদাতা ৰছিদুল হুছেইন-

**ভইচ কাষ্ট**

বৰপেটা জিলাতো আজি বিয়লি আৰম্ভ হোৱা বিসৰ্জন পৰ্ব সন্ধিয়া সামৰণি পৰে। বৰপেটা চহৰ আৰু পাৰ্শ্ববৰ্তী অঞ্চলসমূহত অনুষ্ঠিত পূজাস্থলীসমূহৰ প্ৰতিমা চাউলখোৱা নদীত বিসৰ্জন দিয়া হয়। একেদৰে বেকী, ভেলেঙী, আদি নদীতো প্ৰতিমা বিসৰ্জন দিয়া হয়। উল্লেখযোগ্য যে জিলাখনত এইবাৰ শতাধিক পূজা আয়োজন কৰা হৈছিল। জিলাখনত শাৰদীয় দুৰ্গা পূজাৰ আয়োজন সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল যদিও পূজাৰ সময়ছোৱাত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হয়।

কোকৰাঝাৰ জিলাত গৌৰাং নদীৰ অষ্টমী ঘাটত বিজয়া দশমীৰ অংশস্বৰূপে আজি প্ৰতিমা বিসৰ্জন দিয়া হয়। কৰিমগঞ্জ জিলাত কালি বিজয়া দশমী ৰীতি-নীতি পালন কৰাৰ পাছত আজি বিভিন্ন ঘাটসমূহত প্ৰতিমা বিসৰ্জন প্ৰক্ৰিয়া অব্যাহত আছে। আৰক্ষী প্ৰশাসনৰ উদ্যোগত কৰিমগঞ্জ বিসৰ্জন ঘাট, শ্ৰীগৌৰী বিসৰ্জন ঘাটকে ধৰি সকলো ঘাটতে সুকলমে দেৱী বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। হাইলাকান্দিতো একেদৰে শাৰদীয় দুৰ্গোৎসৱৰ পাছত প্ৰতিমা বিসৰ্জন কাৰ্যসূচী জিলা প্ৰশাসনৰ সক্ৰিয় সহযোগত সম্পন্ন হৈছে।

এই সন্দৰ্ভত হাইলাকান্দিৰ পৰা আমাৰ সংবাদদাতা নিলোৎপল দেৱ-

**ভইচ কাষ্ট**

মৰিগাঁও জিলাত মৰিকলং বিলৰ বাচনা ঘাট আৰু জাগীভকত গাঁৱৰ কপিলী নৈৰ ঘাটত অৰ্ধশতাধিক প্ৰতিমা বিসৰ্জন দিয়া হৈছে। জিলাখনত বিজয়া দশমীৰ লগতে দশেৰাৰ কাৰ্যসূচীও পালন কৰা হৈছে। এই উপলক্ষে জিলা আয়ুক্তই ৰাবন দাহন কাৰ্যসূচীত অংশ গ্ৰহণ কৰে।

ইফালে, নগাঁও জিলাত দুৰ্গা পূজাৰ সময়খিনিত নিয়োজিত আৰক্ষী জোৱান আৰু কৰ্মচাৰীসকলক আজি বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত পৰিয়ালৰ পৰা আঁতৰি থাকি নিষ্ঠাৰে কৰ্তব্য পালন কৰা আৰক্ষীসকলক বিধায়কগৰাকীয়ে নগাঁও আৰক্ষী চাউনীত অনুষ্ঠিত এটা কাৰ্যসূচীত ধন্যবাদ জ্ঞাপন কৰে।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানকে ধৰি নগাঁও জিলাৰ বিভিন্ন প্ৰান্ততো বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশেষকৈ বটদ্ৰৱা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। ইপিনে, নগাঁও জিলা সত্ৰ মহাসভাৰ উদ্যোগত কলিয়াবৰৰ জখলাবন্ধা সত্ৰত গুৰুজনাৰ জন্মোৎসৱ সমূহীয়াভাৱে আয়োজন কৰা হৈছে।

মহাপুৰুষীয়া বৈষ্ণৱ পন্থাৰ পীঠস্থান মাজুলীৰ সত্ৰসমূহতো তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ অনুষ্ঠিত কৰা হৈছে। বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰা হৈছে। কালি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ লগতে নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিৱেশন কৰা হয়। মেখেলীগাঁৱৰ নামঘৰত গুৰুজয়ন্তী উপলক্ষে মহাপুৰুষজনাৰ অমৰ সৃষ্টি ৰামবিজয় নাটখন মঞ্চস্থ কৰা হয়।

সত্ৰনগৰী বৰপেটাৰ লগতে জিলাখনৰ প্ৰায় সকলো সত্ৰ, নামঘৰত মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বৰপেটা সত্ৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সত্ৰৰ ঐতিহ্যমণ্ডিত টুপৰ চোতালত আইসকলৰ নামেৰে আজি আৱিৰ্ভাৱ কাৰ্যসূচীৰ সামৰণি পৰে। একেদৰে গুৰুজনাই জীৱনৰ সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱৰ থান, সুন্দৰীদিয়া সত্ৰ, গণককুচি সত্ৰ, বাৰাদি সত্ৰ, কমাৰকুচি সত্ৰ আদিত আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা ৰোডৰ শাখা সত্ৰ-নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ দলাগাঁৱতো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কালিৰে পৰা জন্মোৎসৱ পালন কৰা হয়।

গুৱাহাটী মহানগৰীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ১২৯ খন শাখাই নামঘৰসমূহত মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰিছে। এই উপলক্ষে আজি প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, শোভাযাত্ৰা, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন কাৰ্যসূচী শাখাসমূহে আয়োজন কৰিছে। ইপিনে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰীৰ জিলা শাখাৰ আতিথ্যত তথা বৃহত্তৰ গুৱাহাটীৰ ৰাইজৰ সহযোগত অহা ১৯ আৰু ২০ অক্টোবৰত ৰূপনগৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হাজো জিলা শাখাৰ উদ্যোগতো মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উলহ মালহেৰে পালন কৰা হয়। জিলা শাখাৰ শিশু, যুৱ আৰু আই মাতৃ সমাৰোহৰ কাৰ্যসূচীও আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি অহা ২৫ আৰু ২৬ অক্টোবৰত পৰিকল্পনা কৰি হৈছে।

ওদালগুৰিতো ৩ দিনীয়া কাৰ্যসূচীৰে পালন কৰা আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰথম দিনা বীৰ নাম পৰিৱেশন কৰাৰ লগতে ভাগৱত ভ্ৰমণৰে চহৰখন পৰিভ্ৰমণ কৰা হয়। কোকৰাঝাৰৰ গোসাঁইগাঁৱত শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰই আয়োজন কৰা আৱিৰ্ভাৱ মহোৎসৱৰ আজি দ্বিতীয় দিনা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম সত্ৰ মহাসভাৰ সভাপতি উপস্থিত থাকে।

তিনিচুকীয়াত মহাপুৰুষজনাৰ জন্মোৎসৱ উপলক্ষে জিলাৰ নামঘৰসমূহ হৰিনামেৰে মুখৰিত হৈ উঠে। তিনিচুকীয়া নগৰৰ সমীপৰ ৰঙাগড়াত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। তৈল নগৰী ডিগবৈতো গুৰুজনাৰ জন্মোৎসৱ নানা জাতি জনগোষ্ঠী আৰু ধৰ্মীয় পৰম্পৰাৰ লোকসকলৰ উপস্থিতিত ঊষা কীৰ্তন, ভাগৱত ভ্ৰমণ আৰু নাম প্ৰসংগৰ দৰে কাৰ্যসূচীৰ ৰূপায়ণেৰে পালন কৰা হয়।

ধুবুৰী জিলাৰ গোলকগঞ্জৰ ৰামৰাইকুটি সত্ৰৰ লগতে কোচবিহাৰৰ মধুপুৰ সত্ৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন হয়। মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ ভকতৰ পৰিচালনাত পুৱা প্ৰভাতী কীৰ্তনেৰে জন্মোৎসৱৰ শুভাৰম্ভণি কৰা হৈছিল। এই উপলক্ষে মধুপুৰ সত্ৰ চৌহদৰ পৰা ভাগৱত শোভাযাত্ৰা উলিওৱা হয়।

গোৱালপাৰা জিলাৰ সত্ৰ আৰু নামঘৰসমূহতো শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে বিভিন্ন ভক্তিমূলক কাৰ্যসূচী অনুষ্ঠিত হয়। গোৱালপাৰা নগৰৰ শ্যামৰাই সত্ৰত এইবাৰ ১০ অক্টোবৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদযাপন কৰা হৈছে। একেদৰে জিলাখনৰ বগুৱানৰ ঐতিহাসিক হাটীসত্ৰতো জন্মোৎসৱৰ পালন কৰা হয়।

দেশৰ ৰাজধানী দিল্লী চহৰতো আজি উলহ-মালহেৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হয়। দিল্লীৰ অসম হাউছত কীৰ্তন সংঘৰ উদ্যোগত সম্পূৰ্ণ অসমীয়া ৰীতি-নীতিৰে নাম প্ৰসংগ আৰু আনুসংগিক কাৰ্যসূচী ৰূপায়ণ কৰি গুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। কাৰ্যসূচীত ৩ শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০

অসম চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে অসমৰ জনসাধাৰণে অসমীয়া ভাষাক দিয়া যথাযোগ্য স্বীকৃতিৰ বাবে প্ৰধানমন্ত্ৰী মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

শ্বাৰজাহত হ'বলগীয়া মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

নিউজিলেণ্ডৰ হাতত পৰাজিত ভাৰতৰ বাবে আজিৰ খেলখন অতিকে গুৰুত্বপূৰ্ণ হ'ব। ভাৰত আৰু নিউজিলেণ্ড গ্ৰুপ এ-ৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানৰ দৌৰত আছে। দুয়োটা দলে ৪ পইণ্টতকৈ লাভ কৰিছে যদিও নিউজিলেণ্ড গড় ৰাণৰ হাৰৰ ভিত্তিত ভাৰততকৈ পিছত আছে। গ্ৰুপ বি-ত দক্ষিণ আফ্ৰিকা ৬ পইণ্টেৰে তালিকাৰ শীৰ্ষত আৰু ৱেষ্টইণ্ডিজ ৪ পইণ্টেৰে দ্বিতীয় স্থানত আছে।

আনহাতে, বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ বি-ৰ এখন খেলত ইংলেণ্ডে-স্কটলেণ্ডৰ বিৰুদ্ধে ১০ উইকেটত  জয়লাভ কৰে।

০০০০০

প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ দেহাৱসান, ২০২২ চনৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান, অসম চৰকাৰৰ নিযুত মইনা আঁচনিৰ অধীনত আৰ্থিক অনুদান বিতৰণৰ শুভাৰম্ভকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে। তদুপৰি শাৰদীয় দুৰ্গা পূজা উদযাপনৰ বিভিন্ন বা-বাতৰি আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ বাতৰিও আঞ্চলিক বাতৰিত গুৰুত্বসহকাৰে প্ৰচাৰ কৰা হয়।

যোৱা ৯ অক্টোবৰৰ নিশা প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। তেওঁ যোৱা কিছুদিন ধৰি এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈ আছিল। টাটা ছন্সৰ অধ্যক্ষ এম চন্দ্ৰশেখৰনে এটা বিবৃতি যোগে ৰতন টাটাৰ মৃত্যুৰ কথা নিশ্চিত কৰে। প্ৰয়াত টাটাই ১৯৬২ চনত টাটা গোটত যোগদান কৰিছিল। গোটৰ বিভিন্ন কোম্পানীত সেৱা আগবঢ়োৱাৰ পাছত তেওঁক ১৯৭১ চনত নেচনেল ৰেডিঅ' এণ্ড ইলেকট্ৰনিকছ কোম্পানী লিমিটেডৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৮১ চনত তেওঁক টাটা ইণ্ডাষ্ট্ৰিজৰ অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছিল। তেওঁ ১৯৯১ চনৰ পৰা ২০১২ চনৰ ১২ ডিচেম্বৰ পৰ্যন্ত টাটা ছন্সৰ অধ্যক্ষ আছিল। ২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰ্ছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে

সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাট ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণসহ অনেক সন্মানেৰে বিভূষিত কৰা হৈছিল।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা ৮ অক্টোবৰত নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হয়। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হয়। লগতে নিত্যা মেননক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুঠিলৈ ৰজত কমল বঁটা আগবঢ়োৱা হয়। ইপিনে পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰ কেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হয়।

০০০০০০০

ৰাজ্যত যোৱা ৬ অক্টোবৰত নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হয়। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।  উল্লেখযোগ্য যে, নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি. এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনা আৰু অন্যান্য কল্যাণকামী আঁচনিকে ধৰি চৰকাৰৰ সকলো আঁচনিৰ অধীনত বিনামূলীয়া পুষ্টিকৰ চাউলৰ যোগান জুলাইৰ ২০২৪ৰ পৰা ডিচেম্বৰ ২০২৮ লৈ অব্যাহত ৰখাত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অংশ হিচাপে ভাৰত চৰকাৰৰ এশ শতাংশ পুঁজিৰে এই পুষ্টিকৰ চাউলৰ যোগানৰ পদক্ষেপ অব্যাহত থাকিব। এই অনুসৰি দেশত পুষ্টি সুৰক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ৭৫ সংখ্যক স্বাধীনতা দিৱসত দিয়া ভাষণৰ লগতে সংগতি ৰাখি দেশত ৰক্তহীনতা আৰু পুষ্টিহীনতা দূৰ কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০০০

রাজ্য চৰকাৰে অসমৰ বৰ্ধিত বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ ২০২৭-২৮ বৰ্ষৰ ভিতৰত অতিৰিক্ত দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰিছে। ৰাজ্যখনত বৰ্ধিত বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ দুহেজাৰ মেগাৱাটকৈ অধিক সন্মিলিত ক্ষমতাৰ কেইবাটাও বিদ্যুৎ প্ৰকল্প বৰ্তমান প্ৰস্তুতি পূৰ্ণ পৰ্যায়ত আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। ২০২৭-২৮ বৰ্ষত ৰাজ্য চৰকাৰে এই প্ৰকল্পসমূহৰ জৰিয়তে দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব বুলি আশা প্ৰকাশ কৰিছে।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা গুৰুত্বপূৰ্ণ বাতৰিসমূহত আলোকপাত।

০০০০০

সমাপ্ত